
অসম

নৱেম্বৰৰ পৰা বৃদ্ধি পাব বিদ্যুৎ বিল, ১৫৫.৫৯ কোটি টকাৰ অতিৰিক্ত মাচুল সংগ্রহত APDCL-ক অনুমতি AERC-ৰ

এপ্রিলৰ পৰা আগষ্টলৈ জমা হোৱা ইন্ধন আৰু বিদ্যুৎ ক্রয়ৰ মাচুল এতিয়া গ্রাহকৰ বিলত উঠিব। কিন্তু মাহে কিমান হাৰত মাচুল লোৱা হ'ব, সেয়া এ পি ডি চি এলক এতিয়াও জনাবলৈ দিয়া হোৱা নাই।

প্রকাশ: ২ নৱেম্বৰ ২০২৬, আবেলি ৫:৩১



(NewzNow)

গুৱাহাটী, ২ নৱেম্বৰ: অসমৰ বিদ্যুৎ গ্রাহকৰ ওপৰত পৰিব পাৰে অতিৰিক্ত আর্থিক বোজা। ২০২৬ চনৰ এপ্রিলৰ পৰা আগষ্টলৈ জমা হোৱা ১৫৫.৫৯ কোটি টকাৰ Fuel and Power Purchase Price Adjustment Surcharge (FPPPAS) পর্যায়ক্রমে সংগ্রহৰ বাবে Assam Power Distribution Company Limited (APDCL)-ক অনুমতি দিছে Assam Electricity Regulatory Commission (AERC)-এ। এই ধন ২০২৬ চনৰ নৱেম্বৰৰ পৰা ২০২৭ চনৰ মার্চলৈ সংগ্রহ কৰা হ'ব।

AERC-ৰ ৩০ অক্টোবৰৰ নির্দেশ অনুসৰি, বানপানীজনিত বাধা আৰু অন্যান্য নিয়ন্ত্রণৰ বাহিৰৰ পৰিস্থিতিৰ বাবে নির্ধাৰিত সময়ত এই অতিৰিক্ত মাচুল সংগ্রহ কৰিব পৰা নাছিল APDCL-এ। ফলত পাঁচ মাহৰ বিদ্যুৎ ক্রয় আৰু সৰবৰাহৰ অতিৰিক্ত ব্যয় জমা হৈ ১৫৫.৫৯ কোটি টকা হৈছিল।

এই ধন সংগ্রহৰ বাবে APDCL-এ পাঁচ মাহৰ এটা পৰিকল্পনা দাখিল কৰিছিল। প্রতিমাহে ৩.৮১ শতাংশ হাৰত ধন

সংগ্রহৰ লগতে নৱেম্বৰত ৪০.০৭ কোটি, ডিচেম্বৰত ৩০.৯৫ কোটি, জানুৱাৰীত ২৮.৯৭ কোটি, ফেব্রুৱাৰীত ২৯.৩৬ কোটি আৰু মার্চত ২৬.২৩ কোটি টকা সংগ্রহৰ প্রস্তাৱ দিছিল।

কিন্তু AERC-এ APDCL-ৰ এই নির্দিষ্ট মাহিলি পৰিকল্পনা বা ৩.৮১ শতাংশ হাৰ অনুমোদন কৰা নাই। তাৰ পৰিৱর্তে, নৱেম্বৰৰ পৰা মার্চৰ ভিতৰত কিদৰে এই ধন সংগ্রহ কৰা হ'ব, সেই সন্দর্ভত APDCL-ক নমনীয়তা প্রদান কৰিছে। একে সময়তে গ্রাহকৰ ওপৰত অতিৰিক্ত আর্থিক বোজাৰ প্রভাৱ বিবেচনা কৰিবলৈ সংস্থাটোক নির্দেশ দিছে।

APDCL-এ জীৱন ধাৰা শ্রেণীৰ গ্রাহক আৰু মাহে ১২০ ইউনিটলৈকে বিদ্যুৎ ব্যৱহাৰ কৰা Domestic-A শ্রেণীৰ গ্রাহকৰ বাবে প্রতি ইউনিটত ৫ পইচা মাচুল নির্ধাৰণৰ প্রস্তাৱো দিছিল। কিন্তু AERC-এ এই পৃথক হাৰো অনুমোদন কৰা নাই।

আয়োগে লগতে নির্দেশ দিছে যে পূর্বৰ পাঁচ মাহৰ জমা হোৱা অতিৰিক্ত মাচুল আৰু একে সময়ছোৱাত প্রযোজ্য নিয়মীয়া মাহিলি FPPPAS পৃথককৈ দেখুৱাব লাগিব APDCL-এ মাহে-মাহে সংগ্রহ কৰা ধনৰ হিচাপ, গণনা আৰু বিলৰ সবিশেষ সংৰক্ষণ কৰি নিয়ন্ত্রক আয়োগৰ ওচৰত দাখিল কৰিব লাগিব।

উল্লেখ্য যে বর্তমানৰ নিয়ম অনুসৰি কোনো মাহৰ FPPPAS সাধাৰণতে তাৰ পৰৱর্তী দ্বিতীয় মাহৰ বিলত সংগ্রহ কৰা হয়। কিন্তু বানপানীজনিত বাধা আৰু অন্যান্য বিশেষ পৰিস্থিতিৰ বাবে এপ্রিলৰ পৰা আগষ্টলৈ জমা হোৱা ধন নির্ধাৰিত সময়ত সংগ্রহ কৰিব পৰা নগ'ল বুলি APDCL-এ আয়োগক জনাইছিল।

AERC-এ স্পষ্ট কৰি দিছে যে এই বিশেষ অনুমতি কেৱল বর্তমানৰ পৰিস্থিতিৰ বাবেহে প্রযোজ্য হ'ব আৰু ভৱিষ্যতৰ আন গোচৰৰ বাবে ইয়াক উদাহৰণ হিচাপে গ্রহণ কৰা নহ'ব। নিয়মীয়া সময়ত মাচুল সংগ্রহ নিশ্চিত কৰি ভৱিষ্যতে এনেদৰে বৃহৎ পৰিমাণৰ ধন জমা হোৱাটো ৰোধ কৰাৰ ওপৰতো আয়োগে গুৰুত্ব আৰোপ কৰিছে।

ফলত নৱেম্বৰৰ পৰা অহা কেইবামাহলৈ অসমৰ বিদ্যুৎ গ্রাহকে নিয়মীয়া মাহিলি মাচুলৰ উপৰি জমা হোৱা অতিৰিক্ত মাচুলৰ বোজাও বহন কৰিবলগীয়া হ'ব পাৰে। অৱশ্যে প্রতিমাহে গ্রাহকৰ বিলত কিমান অতিৰিক্ত ধন যোগ হ'ব, সেয়া APDCL-এ নির্ধাৰণ কৰিবলগীয়া মাহিলি সংগ্রহৰ পৰিকল্পনাৰ ওপৰত নির্ভৰ কৰিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/432/assam-power-bill-surcharge-recovery-november-2026